NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১।	সাতখন ৰাজ্যৰ ১৩ খন বিধানসভা আসনৰ বাবে বুধবাৰে হোৱা উপ-নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হৈছে। বিজেপিয়ে দুখন আৰু কংগ্ৰেছ তথা তৃণমূল কংগ্ৰেছে চাৰিখনকৈ আসন লাভ কৰিছে।

২।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইত ২৯ হাজাৰ কোটিৰে অধিক টকা ব্যয় সাপেক্ষ ভালেমান প্ৰকল্প মুকলি কৰে।

৩।	কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ বৈঠকত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচী ৰূপায়ণৰ পৰ্যালোচনা কৰে।

৪।	পাকিস্তানৰ এখন আদালতে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খান আৰু তেওঁৰ পত্নীক অবৈধ বিবাহ অভিযোগত দোষমুক্ত  ঘোষণা কৰিছে।

*আৰু*

৫।	জিম্বাৱেৰে হাৰাৰেত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত ভাৰতক জয়ৰ বাবে ১৫৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

00000000

সাতখন ৰাজ্যৰ ১৩ খন বিধানসভা আসনৰ বাবে বুধবাৰে হোৱা উপ-নিৰ্বাচনত কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছে চাৰিখনকৈ আসন লাভ কৰিছে। বিজেপি দুখন আৰু আম আদমী পাৰ্টী আৰু ডি এম কে একোখনকৈ আসনত জয় হৈছে। ইফালে বিহাৰৰ ৰুপৌলী বিধানসভা সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী শংকৰ সিঙে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বি জে ডি ইউৰ কলাধৰ প্ৰসাদ মণ্ডলক আঠ হাজাৰ ২৬৪ ভোটৰ ব্যৱধানত পৰাস্ত কৰিছে। আম আদমী পাৰ্টীয়ে পাঞ্জাবৰ জলন্ধৰ পশ্চিম সংৰক্ষিত আসন হস্তগত কৰিছে। হিমাচল প্ৰদেশত শাসকীয় কংগ্ৰেছে দেহেৰা আৰু নালাগড় বিভানসভা সমষ্টিত জয় হোৱাৰ বিপৰীতে বিজেপিয়ে হমিৰপুৰ আসন দখল কৰিছে। পশ্চিমবংগত শাসকীয় তৃণমূল কংগ্ৰেছে ৰায়গঞ্জ, ৰানাঘাট দক্ষিণ, মাণিকতলা আৰু বাগদা আসন লাভ কৰিবলৈ সমৰ্থ হৈছে। উত্তৰাখণ্ডৰ বদ্রিনাথ আৰু মংগল'ৰ বিধানসভা সমষ্টি কংগ্ৰেছৰ দখললৈ গৈছে। মধ্যপ্ৰদেশত বিজেপি প্ৰাৰ্থী কমলেশ প্ৰতাপ শ্বাহে অমৰৱাৰা আসনত জয়লাভ কৰিছে।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইত ২৯ হাজাৰ কোটিৰে অধিক টকা ব্যয় সাপেক্ষ ভালেমান প্ৰকল্প মুকলি কৰে। এই উপলক্ষে শ্ৰী মোদীয়ে কয় যে, বৰ্তমান চৰকাৰে মুম্বাইক ডাঙৰ বিত্তীয় কেন্দ্ৰ আৰু বিশ্বৰ বিত্ত

প্ৰযুক্তি ৰাজধানী ৰূপে গঢ়ি তোলাৰ লক্ষ্য স্থিৰ কৰিছে। চৰকাৰে মুম্বাইৰ জনসাধাৰণৰ জীৱনৰ মান উন্নত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

oooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ বৈঠকত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচী ৰূপায়ণৰ পৰ্যালোচনা কৰে। বৈঠকত শ্ৰী শ্বাহে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰ সীমামুৰীয়া গাঁও সমূহৰ সৰ্বাংগীন উন্নয়নৰ বাবে বদ্ধপৰিকৰ। তেওঁ লগতে স্থানীয় বাসিন্দাসকলক কৰ্মসংস্থাপনৰ সুযোগ প্ৰদানৰ আৰু সীমান্তৱৰ্তী গাঁওসমূহৰ পৰা প্ৰব্ৰজন বন্ধ কৰাৰ বাবে এই গাঁও সমূহৰ সৈতে যোগাযোগ সুদৃঢ় কৰাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে।

মন্ত্ৰীগৰাকীয়ে কয় যে, সীমাৱৰ্তী গাঁওসমূহত নিয়োজিত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু সেনা বাহিনীক সমবায়ৰ জৰিয়তে স্থানীয় কৃষি আৰু হস্ত শিল্পজাত সামগ্ৰী ক্ৰয় কৰাৰ বাবে উৎসাহিত কৰা উচিত। কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু সেনাৰ স্বাস্থ্য সেৱাৰ সুবিধাসমূহ ওচৰৰ গাঁৱৰ বাসিন্দাসকলৰ বাবে নিয়মীয়াভাৱে উপলব্ধ কৰিব লাগে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে, এই গাঁওসমূহত কৰ্ম-সংস্থাপন সৃষ্টিৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে ছশৰো অধিক প্ৰকল্পত অনুমোদন জনাইছে।

ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ অধীনত ১৩৬ খন সীমান্তৱৰ্তী গাঁৱৰ দুহেজাৰ ৪২০ কোটি টকা ব্যয়ৰে সকলো বতৰত ব্যৱহাৰৰ উপযোগী ১১৩টা পথ প্ৰকল্পৰে যোগাযোগ ব্যৱস্থা উন্নত কৰা হৈছে। এই গাঁওসমূহত বিত্তীয় অন্তৰ্ভুক্তি আৰু ভাৰতীয় ডাক ধনাদায় বেংকৰ সুবিধা সুনিশ্চিত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বৈঠকত কেন্দ্ৰীয় গৃহ সচিব,ভাৰত-তীববত সীমান্ত আৰক্ষীৰ সীমান্ত ব্যৱস্থাপনা তথা সঞ্চালক প্ৰধানৰ সচিবসহ গৃহমন্ত্ৰ্যালয়ৰ ভালেসংখ্যক জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

oooooooo

দুদিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ অহা ড'নাৰমন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি গুৱাহাটীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনাত মিলিত হয়। ফোৰ জি তথা ফাইভ জি আৰু উচ্চ গতিসম্পন্ন ইণ্টাৰনেট সেৱা বৃদ্ধিৰে অসমত ডিজিটেল আন্তগাঠনি উন্নত কৰা, টেলিকম আন্তঃগাঁঠনি সেৱাৰ বাবে দক্ষ মানৱ সম্পদ বিকশিত কৰাৰ পথ প্ৰশস্তকৰণ, বানক্ষতিগ্ৰস্ত এলেকাত নেটৱৰ্ক ক্ষীপ্ৰতাৰে পুনঃসংযোগকৰণ নিশ্চিত কৰাৰ বাবে শেহতীয়া প্ৰযুক্তি গ্ৰহণকে ধৰি ভালেসংখ্যক গুৰুত্বপূৰ্ণ বিষয়ত মন্ত্ৰী দুগৰাকীয়ে আলোচনাত মিলিত হয়। ইয়াৰ উপৰিও উত্তৰ পূৱ পৰিষদৰ সৈতে উন্নত সমন্বয় আৰু ড'নাৰৰ দ্বাৰা অনুমোদিত আঁচনিসমূহৰ দ্ৰুত ৰূপায়নৰ বিষয়েও ড'নাৰমন্ত্ৰীগৰাকীয়ে আলোচনাত উল্লেখ কৰে।

oooooooo

ভাৰতে অহা ২০ৰ পৰা ২৪ নৱেম্বৰলৈ গোৱাত প্ৰথম বিশ্ব দৃশ্য শ্ৰাব্য মনোৰঞ্জন সন্মিলন **ৱেভছ** আয়োজন কৰিব। দিল্লীত আজি গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ সাৱন্তে কয় যে, ভাৰত বিশ্বৰ সবাতোকৈ বৃহৎ চলচ্চিত্ৰ নিৰ্মাণকাৰী ৰাষ্ট্ৰসমূহৰ অন্যতম। তেওঁ কয় যে, ৱেভছ সন্মিলনে দেশৰ মিডিয়া আৰু মনোৰঞ্জন উদ্যোগৰ ভৱিষ্যৎ গঢ় দিয়াৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ অনুষ্ঠানৰূপে পৰিগণিত হ'ব।

এই উপলক্ষে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, ৱেভছ্‌ দেশৰ মনোৰঞ্জন উদ্যোগৰ বিকাশৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটিৰূপে পৰিগণিত হ'ব। মিডিয়া আৰু মনোৰঞ্জন উদ্যোগত অধিক কৰ্মসংস্থাপন সৃষ্টিত গুৰুত্ব আৰোপ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

বিজপিয়ে জৰুৰীকালীন অৱস্থাৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰাৰ বাবে বিৰোধীপক্ষৰ নেতাসকলক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি এখন সংবাদ মেল সম্বোধন কৰি দলৰ জ্যেষ্ঠ মুখপাত্ৰ ড০ সুধাংশু ত্ৰিবেদিয়ে এই বুলি অভিযোগ তোলে যে চৰকাৰে সংবিধান হত্যা দিৱস পালন কৰাৰ কথা ঘোষণা কৰাৰে পৰা সংবিধানত ৰক্ষা কৰাৰ ভাও ধৰাসকল অসুবিধাত পৰিছে। জৰুৰীকালীন অৱস্থাক কলা সময় বুলি অভিহিত কৰি মুখপাত্ৰগৰাকীয়ে কংগ্ৰেছে গণতন্ত্ৰৰ আত্মাক হত্যা কৰা বুলি অভিযোগ উত্থাপন কৰে। শ্ৰী ত্ৰিবেদীয়ে কয় যে জৰুৰীকালীন অৱস্থাৰ সময়ছোৱাত বুনিয়াদী মানৱীয় অধিকাৰ কাঢ়ি লোৱা হৈছিল আৰু ন্যায়পালিকাক নিজৰ শক্তিৰ পৰা বঞ্চিত কৰা হৈছিল।

০০০০০০০০

পাকিস্তানৰ এখন আদালতে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খান আৰু তেওঁৰ পত্নীক অবৈধ বিবাহ অভিযোগৰ পৰা দোষমুক্ত বুলি ঘোষণা কৰিছে। ফেব্ৰুৱাৰীত পাকিস্তানৰ নিৰ্বাচনৰ কিছুদিন পূৰ্বে শ্ৰী খান আৰু তেওঁৰ পত্নী বুছৰা খানক অবৈধ বিবাহৰ অভিযোগত সাত বছৰ কাৰাদণ্ড বিহিছিল। সেই সময়ত আদালতে বুছৰা খানে পূৰ্বৰ বিবাহৰ পৰা বিবাহ বিচ্ছেদ আৰু ইমৰান খানৰ সৈতে বিবাহৰ মাজত আৱশ্যকীয় ব্যৱধানৰ নিয়ম পালন কৰাত ব্যৰ্থ হোৱাৰ বাবে ইছলামীয় আইন অনুসৰি দোষী সাব্যস্ত কৰিছে। অৱশ্যে এই সপ্তাহত এখন আদালতে ২০২৩ চনত মে'ত নিজৰ সমৰ্থকৰ দ্বাৰা সংঘৰ্ষত উচতনি যুগুৱাৰ অভিযোগত জামিন প্ৰত্যাহাৰ কৰাৰ পাছৰে পৰা শ্ৰী  খান কাৰাবন্দী হৈ আছে। তেওঁৰ পত্নী বুছৰাও কাৰাবন্দী হৈ আছে আৰু তেওঁক কেতিয়ালৈকে মুকলি কৰি দিয়া হ'ব সেইটো এতিয়াও স্পষ্ট হোৱা নাই।

০০০০০০০০

জিম্বাৱবে হাৰাৰেত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত ভাৰতক জয়ৰ বাবে ১৫৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত জিম্বাব'ৱেই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৫২ ৰান কৰে। প্ৰত্যুত্তৰত ভাৰতে আমালৈ বাতৰি অহাৰ পৰলৈকে ১১ অভাৰত এটা উইকেট নেহেৰুওৱাকৈ ১১৫ ৰান সংগ্ৰহ কৰি খেলি আছে। শুভমন গীল নেতৃত্বাধীন ভাৰতীয় দলটো সম্প্ৰতি শৃংখলাত ২-১ ফলাফলেৰে আগবাঢ়ি আছে।

০০০০০০০০

স্পেইন আৰু আৰু ইংলেণ্ডৰ মাজত বাৰ্লিনত কাইলৈ নিশা চাৰে  ১২ বজাত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব। খেলখনত স্পেইন অভিলেখ সংখ্যক চতুৰ্থবাৰৰ বাবে খিতাপ লাভৰ লক্ষ্যৰে অৱতীৰ্ণ হোৱাৰ বিপৰীতে। ইংলেণ্ডে একেৰাহে দ্বিতীয়বাৰৰ বাবে ইউৰোকাপৰ ফাইনেল খেলিব। ছেমিফাইনেলত স্পেইনে ২-১ গলত ফ্ৰান্সক আৰু একেই ব্যৱধানত ইংলেণ্ডে নেডাৰলেণ্ডছক পৰাজিত কৰিছিল।

আন এখন মহাদেশীয় ফুটবল প্ৰতিযোগিতা ক'পা আমেৰিকাত কাইলৈ ভাৰতীয় সময় অনুসৰি পুৱা চাৰে পাঁচ বজাত মিয়ামিত হ'বলগীয়া ফাইনেল খেলত আৰ্জেণ্টিনা, কলম্বিয়া বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছেমিফাইনেলত কলম্বিয়াই উৰুগুৱেক আৰু আৰ্জেণ্টিনাই কানাডাক পৰাজিত কৰিছিল। আৰ্জেণ্টিনাই তৃতীয়বাৰৰ বাবে খিতাপ জয়ৰ চেষ্টা চলাব। আনহাতে কলম্বিয়াই দ্বিতীয়বাৰৰ বাবে কোপা আমেৰিকা ফুটবল প্ৰতিযোগিতাত চুড়ান্ত বিজয়ী হোৱাৰ লক্ষ্যৰে খেলত অৱতীৰ্ণ হ'ব। কোপা আমেৰিকা ফুটলৰ প্ৰতিযোগিতাৰ ইতিহাসত আৰ্জেণ্টিনা আৰু উৰুগুৱে হৈছে আটাইতকৈ সফল দল। দুয়োটা দলে ১৫ বাৰকৈ এই প্ৰতিযোগিতাত বিজয়ী হৈছে।

oooooooo

সমাপ্ত